**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-03-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

অসমীয়া সাহিত্যৰ কাণ্ডাৰী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ স্মৃতিদিৱস উপলক্ষে কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হয়। ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত কালি আয়োজিত স্মৃতি দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সাহিত্যিক ড° পল্লৱী ডেকা বুজৰবৰুৱাই অসমীয়া ভাষাক ৰাজ্যখনত পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদানৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত মিত্ৰদেৱ মহন্তৰ কৃতি সম্পৰ্কেও আলোচনা কৰা হয়। তেজপুৰতো কালি অসমীয়া জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতাস্বৰূপ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱস সাহিত্য দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক ড° ভূপেন শইকীয়াই লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন দৰ্শন আৰু সৃষ্টিকৰ্মক প্ৰতিফলিত কৰি নৱ প্ৰজন্মক অসমীয়া জাতিৰ সুৰক্ষাৰ বাবে আগবঢ়াই নিব পৰাকৈ অসম সাহিত্য সভাক পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অসম সাহিত্য সভাই কেন্দ্ৰীয়ভাৱে মৰিগাঁও জিলা সাহিত্য সভাৰ আতিথ্যত আৰু আঁহতগুৰি শতদল সাহিত্য সভাৰ সহযোগত দিনজোৱা কাৰ্যসূচীৰে আঁহতগুৰি শ্ৰীমন্ত শংকৰগুৰু কীৰ্তনঘৰত এই দিৱসৰ আয়োজন কৰে। সাহিত্য সভাৰ মূল অনুষ্ঠানৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত শাখা সাহিত্য সভাসমূহেও সাহিত্য দিৱস পালন কৰে।

০০০০০০০

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰৰ আঞ্চলিক কাৰ্যালয় আৰু গৱেষণাগাৰৰ তত্বাৱধানত মাজুলী মহাবিদ্যালয়ত কালি জিলাখনৰ বায়ুৰ গুণাগুণ আৰু মান পৰ্যবেক্ষণৰ বাবে এটা পৰীক্ষাগাৰৰ মুকলি কৰা হয়। গৱেষণাগাৰটো আনুষ্ঠানিকভাৱে মুকলি কৰি শিৱসাগৰ আঞ্চলিক কাৰ্যালয়ৰ মুৰববী বিষয়া জয়ন্ত দত্তই গৱেষণাগাৰটো স্থাপনৰ উদ্দেশ্যৰ বিষয়ে আলোকপাত কৰে। উল্লেখযোগ্য যে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰ কাৰ্যালয় আৰু গৱেষণাগাৰৰ সৈতে মহাবিদ্যালয়খনৰ ৰসায়ন বিজ্ঞান বিভাগৰ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে।

০০০০

ধেমাজি জিলা আৰু ছেচন আদালতে কালি চাৰিটা পক্ছ’ গোচৰৰ অভিযুক্তক দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰিছে। ইয়াৰে প্ৰথমটো গোচৰত ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে চিলাপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত সাক্ষীচৰণ বিশ্বাস নামৰ এজন লোকক দুগৰাকী নাবালিকাক ধৰ্ষণৰ অভিযোগত দোষী সাব্যস্ত কৰি ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকাৰ জৰিমনা বিহে।

আনটো গোচৰত আদালতে ধেমাজি আৰক্ষী থানাৰ অন্তৰ্গত মিলন নগৰৰ তিলক শইকীয়া নামৰ এজন লোকক নাবালিকা ধৰ্ষণৰ অভিযোগত দোষী সাব্যস্ত কৰি ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকাৰ জৰিমণা বিহে। তৃতীয়টো গোচৰত একেখন আদালতে গোগামুখ আৰক্ষী থানাৰ অন্তৰ্গত বৈজয়ন্তীপুৰৰ দীপক ৰুচাল নামৰ এজন লোকক এগৰাকী নাবালিকাক ধৰ্ষণ কৰাৰ অভিযোগত দোষী সাব্যস্ত কৰে আৰু তেওঁক পক্ছ’ আইনৰ অধীনত ২০ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকাৰ জৰিমণা বিহে। আদালতে কালি নাবালিকা ধৰ্ষণৰ আন এটা গোচৰৰ অভিযুক্ত চিলাপথাৰৰ ২ নম্বৰ চিলিৰ চেনাই চাংমাই নামৰ আন এজন লোকক ছবছৰৰ কাৰাদণ্ড আৰু ১৫ হাজাৰ টকাৰ জৰিমনা বিহে। পঞ্চমটো গোচৰত ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে কালি ২০১৭ চনত এগৰাকী মহিলাক হত্যাৰ চেষ্টাৰ অভিযোগত জোনাইৰ লালবাবু কৰ্মকাৰ নামৰ এজন লোকক ১০ বছৰৰ কাৰাদণ্ড আৰু ২০ হাজাৰ টকাৰ জৰিমণা বিহে বুলি চৰকাৰী অধিবক্তা অজয় ফোগলাৰ উদ্ধৃতি দি আমাৰ ধেমাজিৰ সংবাদদাতাই জনাইছে।

০০০০০০০

গুণোৎসৱ, ২০২৫-ৰ ফলাফল আজি ঘোষণা কৰা হ'ব। এই উপলক্ষে গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত চলিত বৰ্ষৰ গুণগত মানৰ ঐক্যসাজ প্ৰদান আৰু মুক্ত, নিকা তথা স্বচ্ছভাৱে মূল্যায়ন কাৰ্যসূচী অনুষ্ঠিত কৰাৰ বাবে বাছনিকৃত তিনিখন জিলাক প্ৰশংসামূলক বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি অনুষ্ঠানত আৰোহণ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৩২০ গৰাকী শিক্ষাৰ্থীক টেবলেট প্ৰদান কৰা হ'ব আৰু যোৱাবছৰৰ গুণোৎসৱত এ প্লাছ গ্ৰেড লাভ কৰা ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক উৎকৃষ্টতাৰ স্বীকৃতি আৰু ২৫ হাজাৰ টকাকৈ উদ্গনিমূলক অনুদান আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীক গুণগত শিক্ষা দানৰ সংকল্পৰে চৰকাৰে ২০১৭ চনৰ পৰা অনুষ্ঠিত কৰি অহা গুণোৎসৱত এইবেলি ৪৪ হাজাৰ ৭৭ খন বিদ্যালয়ৰ ৩৮ লাখ ৯৮ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছে।

০০০০০০

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত তিনি দশকৰো অধিক কাল ধৰি সেৱা আগবঢ়াই অহা অংশকালীন ঘোষক-ঘোষিকা তথা প্ৰসাৰণ সহযোগী চন্দন দাস আৰু অৰুণীতা দেৱীক কালি বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদায়ী অনুষ্ঠানত তেওঁলোকলৈ সম্বৰ্ধনা শৰাই আৰু গ্ৰন্থ আগবঢ়োৱা হয়। একেটা অনুষ্ঠানতে প্ৰায় ২৪ বছৰ সেৱা আগবঢ়াই দুবছৰ পূৰ্বে অৱসৰ গ্ৰহণ কৰা এম হাছিম আলিকো সম্বৰ্ধনা জনোৱা হয়। এই  অনুষ্ঠানত উপ-সঞ্চালক প্ৰধান কেনিয়েলো কেণ্ট ৰেংমা, আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান মুৰব্বী লোহিত ডেকা, অনুষ্ঠান কাৰ্যবাহী অৰুণ মৰাণকে ধৰি কেন্দ্ৰটোৰ কৰ্মৰত কেইবাগৰাকীও কৰ্মচাৰী উপস্থিত থাকে। অনুপ শৰ্মাই আঁত ধৰা এই অনুষ্ঠানত লোহিত ডেকাই সকলোৰে আকাশবাণীৰ প্ৰতি দেখুওৱা মৰম আৰু দায়বদ্ধতাৰ কথা স্মৰণ কৰে।

০০০০০০০

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ সমিতিৰ এটা প্ৰতিনিধি দলে কালি হোজাই জিলাত উপস্থিত হৈ জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত আয়ুক্ত আৰু জিলাখনৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিত এখন পৰ্যালোচনা সভাত মিলিত হয়।

০০০০০০০

মহিলা আৰু কন্যা শিশুসকলৰ শিক্ষা, সুৰক্ষা, নিৰাপত্তা আৰু সৱলীকৰণৰ লক্ষ্যৰে গোলাঘাট জিলাৰ গমাৰীগুৰিত কাইলৈ সজাগতা সভাৰ আয়োজন কৰা হৈছে। মন্ত্ৰী অজন্তা নেওগে এই সভাত মুখ্য অতিথি হিচাপে অংশ ল'ব। সভাৰ সৈতে সংগতি ৰাখি পৰম্পৰাগত খেল-ধেমালি, মুকলি কুইজ, চিত্ৰাংকন প্ৰতিযোগিতা, শিক্ষা, সুৰক্ষা আৰু পুৰিপুষ্টি সম্পৰ্কীয় বাৰ্তা বুথ, মহিলা আৰু কন্যা শিশুৰ ৰক্তহীনতা চিনাক্তকৰণ শিবিৰৰ আয়োজন কৰা হ'ব। সাংসদ কামাখ্যা প্ৰসাদ তাছা, মন্ত্ৰী অতুল বৰা, ৰূপেশ গোৱালা, বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালী, মৃণাল শইকীয়া আৰু বিশ্বজিৎ ফুকন এই সভাত অংশগ্ৰহণ কৰিব।

০০০০০০০

**সমাপ্ত**